মই যেতিয়া কোনো বিষয়ত তোমালোকক নিষেধ কৰোঁ, তেতিয়া তোমালোকে সেইটোৰ পৰা বিৰত থাকিবা, আৰু যদি কোনো বিষয়ৰ আদেশ দিওঁ তেন্তে সেইটো সাধ্যানুসাৰে বাস্তৱায়ন কৰিবা। কিয়নো তোমালোকৰ পূৰ্বৱৰ্তী লোকসকলে নবীসকলক বেছি বেছি প্রশ্ন কৰাৰ বাবে আৰু নবীসকলৰ লগত মতভেদ কৰাৰ বাবেই ধ্বংস হৈছিল।

আবু হুৰাইৰাহ ৰাদ্বিয়াল্লাহু আনহুৰ পৰা বর্ণিত, তেওঁ কৈছে, মই ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামক কোৱা শুনিছোঁ: “মই যেতিয়া কোনো বিষয়ত
তোমালোকক নিষেধ কৰোঁ, তেতিয়া তোমালোকে সেইটোৰ পৰা বিৰত থাকিবা, আৰু যদি
কোনো বিষয়ৰ আদেশ দিওঁ তেন্তে সেইটো সাধ্যানুসাৰে বাস্তৱায়ন কৰিবা। কিয়নো তোমালোকৰ পূৰ্বৱৰ্তী লোকসকলে নবীসকলক বেছি বেছি প্রশ্ন কৰাৰ বাবে আৰু নবীসকলৰ
লগত মতভেদ কৰাৰ বাবেই ধ্বংস হৈছিল।” ছহীহ - মুত্তাফাকুন ‘আলাইহি (বুখাৰী আৰু মুছলিম)। [ছহীহ] [(মুত্তাফাক আলাইহ {বুখাৰী মুছলিম})]

ৰাছুলুল্লাহ চাল্লাল্লাহু আলাইহি অছাল্লামে আমাক নিৰ্দেশনা দিছে যে, যদি তেওঁ আমাক কোনো বিষয়ত নিষেধ কৰে তেন্তে কোনো ধৰণৰ আপত্তি নকৰাকৈ সেই নিষেধাজ্ঞাৰ ওপৰত আমল কৰাটো আমাৰ বাবে অনিবাৰ্য। আনহাতে যদি তেওঁ আমাক কোনো বিষয়ৰ নির্দেশ দিয়ে তেনেহ’লে সাধ্যানুসাৰে সেইটো পালন কৰা আমাৰ বাবে আৱশ্যক। ইয়াৰ পিছত তেওঁ আমাক সতর্ক কৰিছে যে, আমি যেন পূর্বৱর্তী কিছুমান উম্মতৰ দৰে নহওঁ, যিসকলে সিহঁতৰ নবীসকলক অধিক প্রশ্ন কৰিছিল আৰু তেওঁলোকৰ সৈতে বিৰোধিতা কৰিছিল। ফলত আল্লাহে সিহঁতক বিভিন্ন ধৰণৰ ধ্বংস আৰু আজাবৰ দ্বাৰা শাস্তি বিহিছিল। এতেকে আমাৰ উচিৎ, আমি যেন সিহঁতৰ দৰে নহওঁ। কাৰণ সিহঁতে যিদৰে ধ্বংস হৈছে, সেইদৰে যেন আমিও ধ্বংস নহওঁ।

http://www.sunnah.global/hadeeth/as/show/4725